**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-09-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰে'ল মন্ত্ৰালয়ে ডিব্ৰুগড় আৰু হাওৰাৰ মাজত ৰঙাপৰা হৈ চলাচল কৰা ১৫৯৫৯ আৰু ১৫৯৬০ নম্বৰৰ কামৰূপ এক্সপ্ৰেছ আৰু গুৱাহাটী আৰু মুৰ্কংচেলেকৰ মাজত চলাচল কৰা ১৫৬১৩ আৰু ১৫৬১৪ ৰে'লগাড়ী দুখন পৰীক্ষামূলকভাৱে তামুলপুৰ জিলাৰ গোৰেশ্বৰ ষ্টেচনত ৰখোৱাৰ সিদ্ধান্ত লৈছে। ৰে'ল মন্ত্ৰালয়ে উত্তৰ-পূব সীমান্ত ৰে'লৱেলৈ পঠিওৱা এটা নিৰ্দেশত এই কথা প্ৰকাশ কৰি কোৱা হৈছে যে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও ৰে'ল ষ্টেচনতো কামৰূপ এক্সপ্ৰেছ, নৰ্থ ইষ্ট এক্সপ্ৰেছ আৰু নিউ জলপাইগুৰী আৰু গুৱাহাটীৰ মাজত চলাচল কৰা বন্দে ভাৰত এক্সপ্ৰেছখন পৰীক্ষামূলকভাৱে ৰখোৱাৰ সিদ্ধান্ত লোৱা হৈছে। তদুপৰি, আলিপুৰ দুৱাৰ আৰু গুৱাহাটীৰ মাজত চলাচল কৰা চিফুং এক্সপ্ৰেছখন পৰীক্ষামূলকভাৱে কোকৰাঝাৰ জিলাৰ চৌতাৰাত ৰখোৱাৰ বাবেও ৰে'ল মন্ত্ৰালয়ে অনুমোদন জনাইছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ৰে'লগাড়ীকেইখন ষ্টেচনকেইটাত ৰখোৱাৰ বাবে বিভিন্ন অঞ্চলৰ ৰাইজে জনাই অহা দাবীৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহা-প্ৰৱন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱলৈ পত্ৰ লিখিছিল আৰু মুখ্যমন্ত্ৰীৰ এই অনুৰোধৰ প্ৰতি সঁহাৰি জনাই ৰে'ল মন্ত্ৰালয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পূৰ্বে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আজি মঙলদৈত এখন সংবাদমেলৰ আয়োজন কৰি কেন্দ্ৰীয় চৰকাৰ তথা বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখন বিভিন্ন ক্ষেত্ৰত ব্যৰ্থ হোৱা বুলি অভিযোগ কৰে। মঙলদৈৰ ৰাজীৱ ভৱনত আয়োজিত সংবাদমেলত কমিটীয়ে বাংলাদেশী বিতাড়ন, বানমুক্ত অসম, নিবনুৱা সমস্যা সমাধানকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত চৰকাৰে প্ৰতিশ্ৰুতি পূৰণ কৰাত ব্যৰ্থ হৈছে বুলি অভিযোগ তোলে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীলৈ ৯টা প্ৰশ্ন উত্থাপন কৰে। সংবাদমেলত জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰিপুণ বৰা, প্ৰদেশ কংগ্ৰেছৰ মিডিয়া কোষৰ জ্যেষ্ঠ নেতা বেদব্ৰত বৰা, প্ৰাক্তন বিধায়ক ইলিয়াছ আলীকে ধৰি কেইবাগৰাকী দলীয় নেতা উপস্থিত থাকে।

ooooo

অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সৌজন্যত আৰু মাজুলী জিলা সমিতিৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ বিপুল মহন্ত সোঁৱৰণী ষষ্ঠবিংশতিতম সদৌ অসম একাংকীকা নাট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। মাজুলীৰ কেশৱ ৰাম বৰা সোঁৱৰণী মঞ্চত আয়োজিত প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন ঠাইৰ ৩০টা নাট্য দলে নাট পৰিৱেশন কৰিব। আজিৰ উদ্বোধনী অনুষ্ঠানত আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ, যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰ্তাকে ধৰি ভালেকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

00000

দৰং জিলাৰ ছিপাঝাৰত আজি সন্ধিয়া এটা পৰিয়ালৰ তিনিগৰাকী সদস্যৰ মৃতদেহ তেওঁলোকৰ নিজা বাসভৱনত উদ্ধাৰ হোৱাৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আমাৰ মঙলদৈৰ সংবাদদাতাই জনোৱা মতে, ছিপাঝাৰ নাৰিকলী গাঁও নিবাসী দীপক নাথৰ লগতে তেওঁৰ পত্নী আৰু কিশোৰ পুত্ৰৰ মৃতদেহ উদ্ধাৰ হয়। ঘটনাৰ খবৰ পোৱা মাত্ৰকে দৰং আৰক্ষীৰ উচ্চপদস্থ বিষয়াই ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। বাতৰি যুগুতোৱাৰ পৰলৈকে ঘটনাৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই। এই সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।

00000

সমাগত বড়োলেণ্ড পৰিষদীয় নিৰ্বাচন উপলক্ষে নিৰ্বাচনী পৰ্যৱেক্ষক ক্ষিতিশ চন্দ্ৰ পেগুৱে গয়বাৰী সমষ্টিৰ অধীনৰ ৩০ টা মহিলাৰ দ্বাৰা পৰিচলনা কৰিবলগীয়া ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। তামুলপুৰৰ চক্ৰ বিষয়া তথা সহকাৰী নিৰ্বাচনী বিষয়া এলিমা কান্দুলনা, জনস্বাস্থ্য বিভাগৰ কাৰ্যবাহী অভিযন্তা পঞ্চী বাড়ি আৰু প্ৰটোকল বিষয়া কিশুক ৰক্তিম কুমাৰো উপস্থিত থাকে। পৰিদৰ্শনৰ সময়ছোৱাত পৰ্যৱেক্ষকগৰাকীয়ে সংশ্লিষ্ট জ'নেল আৰু চেক্টৰ বিষয়া, শিক্ষক তথা বি এল অ' সকলৰ সৈতে মত বিনিময় কৰাৰ উপৰি ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ অৱস্থাৰ বুজ লয়।

00000

বিটিচি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। চিৰাং জিলাৰ বিজনী মহকুমাৰ ১৮ নম্বৰ মানস চেৰফাং পৰিষদীয় সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী অবিনাশ ব্ৰহ্মৰ সমৰ্থনত আজি প্ৰদেশ কংগ্ৰেছ কমিটিৰ নেতৃত্বই নিৰ্বাচনী প্ৰচাৰ চলায়। পাণবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এই প্ৰচাৰ সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, বিধায়কদ্বয় ৰেকিবুদ্দিন আহমেদ আৰু প্ৰদীপ কুমাৰ চৰকাৰে সমষ্টিটোৰ মনোনীত প্ৰাৰ্থী অবিনাশ ব্ৰহ্মৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

00000

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি ষ্টেচন ৰোডৰ সন্মুখৰ পৰা এখন চাৰিচকীয়া বাহনত অভিযান চলাই আৰক্ষীয়ে দুজন মাদকদ্ৰব্য যোগানকাৰীক ধৰা পেলায়। বাহনখনৰ পৰা আৰক্ষীয়ে প্ৰায় ৭৪ গ্ৰাম হেৰইন উদ্ধাৰ কৰে। ঘটনাৰ সৈতে জড়িত লোক দুজনক আৰক্ষীয়ে আটক কৰি জেৰা অব্যাহত ৰাখিছে।

00000

ঃঃ সমাপ্ত ঃঃ